# ৰুবী হেমব্ৰম

## আদিবাসীসকলৰ এটি নতুন শক্তিশালী কণ্ঠ

ব্যক্তিত্ব | জিতুমণি পাঠক



ভাৰতবৰ্ষৰ প্ৰত্যন্ত অঞ্চলত বসবাস কৰা বিভিন্ন জনগোষ্ঠীয় পৰিচয়েৰে পৰিচিত আদিবাসীসকলৰ জীৱন যাত্ৰাৰ বৈচিত্ৰ্য, ঐশ্বৰ্যশালী পৰম্পৰা— লোকসংগীত, লোকসাহিত্যসমূহ ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত যেনেদৰে দাঙি ধৰাৰ প্ৰয়োজন আছিল, সেয়া যেন আজিকোপতি সঠিক ৰূপত প্ৰক্ষেপিত হোৱা নাই। এক সুসংহত প্ৰকল্প, তেওঁলোকৰ বিশাল সম্পদৰাজিক বিশ্ব সমাজত পৰিচিত কৰি দিবলৈ আগবাঢ়ি অহা নেতৃত্বৰ অভাৱ আদিয়েই যেন ইয়াৰ প্ৰধান কাৰক। এই অভাৱ পূৰণ কৰিবলৈয়ে যেন সম্প্ৰতি আদিবাসীসকলৰ জীৱন পৰিক্ৰমাৰ অবিচ্ছেদ্য অংগ হিচাপে বিবেচিত মৌখিক তথা লিখিত সাহিত্যসমূহক জগত সভাত পৰিচিত কৰি দিবলৈ আগবাঢ়ি আহিছে এটি প্ৰকাশন গোষ্ঠী— 'আদিবাণী'। আদিবাণী হৈছে আদিবাসীসকলৰ হৃদয়ৰ পৰা নিঃসৃত কাব্যিক অনুভূতিক স্থায়ী তথা বিশাল পৰিসৰত দাঙি ধৰিব খোজা এটা প্ৰয়াসৰ নাম। যিসময়ত চৰকাৰী বৃহৎ বৃহৎ আঁচনি বা বিয়াগোম বিয়াগোম প্ৰকাশন গোষ্ঠীৰ আদিবাসীৰ জীৱনৰ এই দিশটোক চুই যোৱাৰ চিন্তা মনলৈ অহা নাছিল, সেই সময়ত ৰুবী হেমব্ৰম নামৰ এগৰাকী কম বয়সীয়া যুৱতীৰ চিন্তাৰ জগতত উন্মেষ ঘটিছিল এই অভিনৱ প্ৰয়াসৰ। আদিবাসীসকলৰ জীৱনৰ পৰিক্ৰমাক তেওঁলোকৰ দৃষ্টিৰেই চোৱাৰ উদ্দেশ্যেই জন্মলাভ কৰিছিল আদিবাণী। আদিবাণী ৰুবী হেমব্ৰমৰ কল্পনাৰ ফচল। ৰুবীয়ে দেখা এক দীৰ্ঘদিনীয়া স্বপ্নৰ এক সাকাৰ ৰূপ হ'ল আদিবাণী, য'ত ৰুবীৰ সৈতে সংপৃক্ত হৈ পৰিছে আৰু দুটা নাম— জয় টুডু আৰু এ গোমছ, যি আদিবাণীৰ বাণিজ্যিক আৰু কাৰিকৰী দিশটোক নিজৰ কান্ধত তুলি লৈ ৰুবীলৈ আগবঢ়াইছে সহায়ৰ হাত।

জীৱনে এই কষ্টকৰ পথ ৰুবীৰ সন্মুখলৈ আনি দিয়া নাছিল। আইনৰ ডিগ্ৰীধাৰী ৰুবীয়ে জীৱনৰ আৰম্ভণি কৰিছিল এটি বহুজাতিক কোম্পানীৰ চাকৰিৰে। নিঃসন্দেহে সেই কামটিৰে অতি এক আৰামী জীৱন কটাব পাৰিলে হয় ৰুবীয়ে। কিন্তু তাকে নকৰি কিবা এটি ব্যতিক্ৰমী কাম কৰাৰ প্ৰয়াসেৰে সেই লোভনীয় চাকৰি বাদ দি তেওঁ বাছি ল'লে এই এক অনিশ্চিত জীৱন সংগ্ৰামৰ পথ। কলকাতাত জন্মগ্ৰহণ কৰা ৰুবীয়ে ঘটনাক্ৰমে এক বুক পাব্লিছিং কৰ্মশালাত অংশগ্ৰহণ কৰিছিল আৰু সেই অভিজ্ঞতাই তেওঁক পৰিচয় কৰাই দিয়ে সাম্প্ৰতিক সময়ৰ গ্ৰন্থ প্ৰকাশৰ বজাৰখনৰ সৈতে। একে সময়তে ৰুবীয়ে লক্ষ্য কৰিছিল যে গ্ৰন্থৰ এই বৃহৎ বজাৰখনত লক্ষণীয়ভাৱে আদিবাসীসকলৰ অনুপস্থিতি। ইয়াৰ কাৰণ কি তাকে বিচাৰিবলৈ গৈ ৰুবীয়ে সন্মুখীন হ'ল প্ৰকৃত সত্যৰ। আদিবাসী সাহিত্য কোনো দিশতে ভাৰতীয় আন সাহিত্যৰ তুলনাত পিছপৰা নহয়। তেওঁলোকৰ মৌখিক কাহিনী বা লিখিত ৰূপত পোৱা গল্পৰ সংগ্ৰহবোৰত থকা উপাদানবোৰ নিঃসন্দেহে বিশ্বমানৰ সাহিত্য ৰসেৰে পৰিপূৰ্ণ। অথচ ইয়াৰ পিছতো তেওঁলোকৰ চকুত লগা অনুপস্থিতিৰ কাৰণ আছিল কোনো প্ৰকাশন গোষ্ঠীয়ে তেওঁলোকৰ এই বৰ্ণিল সাহিত্যৰাজিক বিশ্ব সমাজত পৰিচিত কৰি দিবলৈ আগবাঢ়ি অহা নাছিল। সততে উপেক্ষিত আদিবাসীসকলৰ উপেক্ষাৰ এই নতুন ছবিখনে ৰুবীক মৰ্মাহত কৰিছিল আৰু সংকল্প লৈছিল আদিবাসীসকলৰ এই নিটোল সাহিত্যৰাজিক গ্ৰন্থ অনুৰাগীক পৰিচয় কৰি দিবলৈ আৰু ইয়াৰেই মূৰ্তমান ৰূপটোৱেই হ'ল আদিবাণী।



আদিবাণীয়ে এতিয়ালৈ যিবোৰ গ্ৰন্থ প্ৰকাশ কৰিছে সেই আটাইবোৰ ইংৰাজী ভাষাত। ৰুবীৰ মতে, আদিবাসীসকলৰ সাহিত্যৰ বিষয়ে বিশ্বৰ পাঠকসকল অৱগত নোহোৱাৰ অন্যথম কাৰক হ'ল ভাষাৰ অন্তৰায়। অতি উচ্চমানৰ সাহিত্য তেওঁলোকৰ মাজত বহু আগৰে পৰা সৃষ্টি হৈ আহিছে যদিও সেইবোৰ নিজ ভাষাত ৰচিত হোৱা বাবে খুব কমসংখ্যক পাঠকে তেওঁলোকৰ সেই অমূল্য সম্পদৰাজিৰ বিষয়ে অৱগত হৈছে। এই ক্ষেত্ৰত আদিবাণীয়ে সংকল্প লৈছে সেইসকল লেখকক সহায় কৰিবলৈ যাৰ ইংৰাজী লিখনি সাৱলীল নহয় যদিও আছে বিষয়বস্তুৰ গভীৰতা আৰু বিচিত্ৰতা। তেওঁ আহ্বান জনাইছে নিঃসংকোচে যেন সেই লেখকসকলে নিজৰ লিখনি লৈ আগুৱাই আহে। তেনে লিখনিক ঘঁহি-মাজি পঠনযোগ্য কৰি তোলাৰ দায়িত্ব আদিবাণীৰ। বিগত বৰ্ষত আত্মপ্ৰকাশ ঘটা আদিবাণীয়ে এতিয়ালৈ দুখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। ইয়াৰে প্ৰথমখন হৈছে চাওতালসকলৰ সৃষ্টিতত্ত্বক লৈ ৰচিত 'We come from the Gees and Earth rest on a Tortoise'। দ্বিতীয়খন গ্ৰন্থ 'Who's country is it anyways'ত বৰ্ণিত হৈছে ১৮৫৫ৰপৰা ১৮৫৭ চনলৈ চাওতালসকলৰ মাজত গা কৰি উঠা বিদ্ৰোহক কেন্দ্ৰ কৰি। ইয়াৰে দ্বিতীয় গ্ৰন্থৰ ৰচয়িতা গ্লেডছন ডুংডুং হিন্দী ভাষাৰ এগৰাকী শক্তিশালী লেখক যদিও ইংৰাজী ভাষাত আছিল তেওঁৰ দুৰ্বলতা আৰু এই দুৰ্বলতাকণক আঁতৰোৱাত সহায় কৰিছে আদিবাণীয়ে।

ৰুবীৰ এই প্ৰচেষ্টাই ডুংডুঙৰ মাজত লুকাই থকা প্ৰতিভাখিনিক আজি জগত সভাত পৰিচয় কৰাই দিবলৈ সক্ষম হৈছে। ৰুবীয়ে অনুভৱ কৰে যে ডুংডুং হৈছে মাথোঁ এটি উদাহৰণ। এনে বহুতো ডুংডুং ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তত সিঁচৰতি হৈ আছে আৰু এইবোৰক বিচাৰি আনি সকলোকে পৰিচয় কৰাই দিবলৈ আদিবাণীৰ জন্ম। যোৱা আঠ আগষ্টৰ 'ইণ্টাৰনেচনেল ডে অৱ দ্য ৱৰ্ল্ডছ ইণ্ডিজেনাছ পিপ'ল'— দিৱসৰ প্ৰাকমুহূৰ্তত ৰুবীয়ে সেয়েহে ঘোষণা কৰিছে এক অভিলাষী প্ৰকল্প, যাৰ জৰিয়তে তেওঁ সমগ্ৰ দেশৰে জনগোষ্ঠীয় লোকসকলৰ জীৱন গাঁথাৰ অপ্ৰকাশিত কাহিনীসমূহক একত্ৰিত কৰিব খুজিছে একেখন প্লেটফৰ্ম 'আদিবাণী'ৰ মাধ্যমেৰে। অহা বছৰৰ আগষ্ট মাহত প্ৰকাশ হৈ ওলাবলগীয়া ৰচনাৰাজিৰ এই প্ৰকল্পটিৰ বাবে ৰুবীৰ সমগ্ৰ অনুষ্ঠানটিয়ে ব্যস্ত হৈ পৰিছে লিখনিৰ সন্ধানত। 'আদিবাসীৰ হৈ আদিবাসীৰ বাবে' শ্লোগানেৰে আদিবাণীয়ে আৰম্ভ কৰা এই যাত্ৰাত ৰুবীয়ে লাভ কৰিছে সৰ্বস্তৰৰ সমৰ্থন। অকল আদিবাসীসকলৰ সামগ্ৰিক কল্যাণক নজৰত ৰাখি তেওঁ আগবঢ়োৱা এই খোজক সকলোৱে জনাইছে স্বাগতম আৰু সাম্প্ৰতিক সময়ত ৰুবী হেমব্ৰম হৈ পৰিছে আদিবাসীসকলৰ এক নতুন শক্তিশালী কণ্ঠ। ■